# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। সংসদৰ উভয় সদনতে আজি ২০২৫ -২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট সন্দৰ্ভত আলোচনা কৰা হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰ মানসিক চাপ আৰু উৎকণ্ঠা দূৰ কৰাৰ উপায় সন্দৰ্ভত পৰামৰ্শ দিয়ে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত ইউনানি দিৱস উপলক্ষে দুদিনীয়া আন্তৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব।

৪। দেশত জানুৱাৰীৰ মাহলৈকে প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ অধীনত ৫৪ কোটিৰো অধিক বেংক একাউণ্ট খোলা হৈছে। ***আৰু***

৫। থাইলেণ্ডৰ বেংককত চলি থকা পেৰা আৰ্চ্চাৰী এছিয়া কাপ প্ৰতিযোগিতাৰ মহিলাৰ কম্পাউণ্ড অপেন শিতানত ভাৰতৰ চৰিতাই সোণৰ পদক অৰ্জন কৰিছে।

০০০০

লোকসভাত আজি ২০২৫ -২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেটৰ সন্দৰ্ভত আলোচনা কৰা হয়। ডি এম কেৰ সাংসদ দয়ানিধি মৰাণে বৰ্তমান বাজেটখন সম্পূৰ্ণৰূপে পুঁজিপতিৰ পক্ষত থকা বুলি অভিযোগ কৰি কয়, যে চৰকাৰে মুদ্ৰাস্ফীতি, নিবনুৱা সমস্যাকে ধৰি জনসাধাৰণৰ প্ৰকৃত সমস্যাসমূহ সমাধান কৰাত বিফল হৈছে। তেওঁ ভাৰতৰ অৰ্থনীতি মন্থৰ হৈছে বুলি অভিযোগ কৰি কয়, যে দেশত বিগত বৰ্ষত মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৪ শতাংশ হয়। তেওঁ লগতে কয়, যে আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতৰ টকাৰ মূল্য সৰ্বনিম্ন হৈছে। কংগ্ৰেছৰ মনিষ তিৱাৰীয়ে কয়, যে চৰকাৰে বিমুদ্ৰাকৰণৰ সময়ত ঘোষণা কৰা কোনো এটা বিষয়তে সফলতা অৰ্জন কৰা নাই। বৰ্তমানৰ বাজেটত কৰ হ্ৰাস কৰাৰ সন্দৰ্ভত তেওঁ কয়, যে কৰদাতাসকলে এই হ্ৰাস কৰাৰ সন্দৰ্ভত বিগত ৫ বছৰৰ পৰা দাবী উত্থাপন কৰি আহিছিল। তেওঁ চৰকাৰক ঘাটি বাজেটৰ সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰে। তেওঁ লগতে দেশৰ কৃষি খণ্ড প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বুলি অভিযোগ কৰে। বিজেপিৰ সাংসদ অনুৰাগ সিং ঠাকুৰে এই বাজেটখনক দেশৰ কল্যাণকামী বাজেট বুলি অভিহিত কৰি এই বাজেটখনে সমাজৰ প্ৰতিটো স্তৰৰ জনসাধাৰণৰ বাবে অভিলেখ পৰিমাণত পুঁজি আৱণ্টন দিছে বুলি মন্তব্য কৰে। তেওঁ লগতে কয়, যে বৰ্তমানৰ এন দি এ চৰকাৰৰ অধীনত দেশৰ অৰ্থনীতি এটা নতুন উচ্চতালৈ গতি কৰিছে আৰু বিশ্বৰ পঞ্চম অৰ্থব্যৱস্থাৰ দেশ হিচাপে স্থান অধিকাৰ কৰিছে। পৰৱৰ্তী ৩ টা বছৰত ভাৰত বিশ্বৰ তৃতীয় অৰ্থনীতিৰ দেশ হিচাপে উন্নীত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেওঁ কয়, যে দেশৰ প্ৰতিৰক্ষা বাজেট ২০১৩-১৪ বৰ্ষৰ ২ লাখ কোটি টকাৰ বিপৰীতে বৰ্তমান ৬ লাখ ৮১ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ৰেলৰে বাজেট ২৭ হাজাৰ কোটি টকাৰ পৰা ২ লাখ ৫৫ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা

হৈছে। পূৰ্বৰ ইউ পি এ চৰকাৰৰ দিনৰ কেলেংকাৰীক সমালোচনা কৰি তেওঁ কয়, যে বৰ্তমানৰ চৰকাৰে বিকশিত ভাৰতৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে।

০০০০

ৰাজ্যসভাতো আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেটৰ ওপৰত আলোচনা অব্যাহত আছে। আলোচনা আৰম্ভ কৰি কংগ্ৰেছৰ নেতা পি চিদাম্বৰমে কয় যে এই চৰকাৰৰ কাৰ্যকালত দেশৰ মুঠ ঘৰুৱা উৎপাদনত নিৰ্মাণখণ্ডৰ অংশৰ পৰিমাণ হ্ৰাস পাইছে। ২০২৫ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাৰ উদ্ধৃতি দি শ্ৰীচিদাম্বৰমে কয়, যে ২০১৪ চনত নিৰ্মাণ খণ্ডৰ অংশ ১৫ দশমিক ০-৭ শতাংশ আছিল, যি ২০১৯ চনত ১৩ দশমিক ৪-৬ আৰু ২০২৩ চনত ১২ দশমিক ৯-৩ শতাংশলৈ অৱনমিত হ'ল। তেওঁ লগতে উৎপাদন সম্পৰ্কীত উদগণি আৰু নিৰ্মাণখণ্ড এই দুয়োটা দিশতে চৰকাৰ বিফল হোৱা বুলি অভিযোগ উত্থাপন কৰে। শ্ৰীচিদাম্বৰমৰ অভিযোগৰ প্ৰত্যুত্তৰ দি সদনৰ নেতা জে পি নাড্ডাই নিৰ্মাণ খণ্ডকে ধৰি বিভিন্ন খণ্ডত চৰকাৰে গ্ৰহণ কৰা কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। আলোচনাত অংশগ্ৰহণ কৰি ডি এম কেৰ তিৰুচি শিৱাই কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহলৈ কেন্দ্ৰীয় সাহায্যৰে পৰিচালিত আঁচনিসমূহৰ পুঁজি মোকলাই দিয়া নাই বুলি অভিযোগ তোলে। তেওঁ লগতে দেশত প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ হ্ৰাস পোৱা আৰু চৰকাৰে সামগ্ৰী আৰু সেৱা কৰ হ্ৰাস কৰিবলৈ ব্যৱস্থা গ্ৰহণ নকৰা বুলিও অভিযোগ উত্থাপন কৰে। আলোচনাত অংশ লৈ শিৱসেনাৰ মিলিন্দ মুৰলী দেওৰাই এইবাৰৰ সাধাৰণ বাজেটৰ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত দেশ উন্নতিৰ শিখৰত উপনীত হ'ব বুলি মন্তব্য কৰে। সমাজবাদী পাৰ্টীৰ ৰামজী লাল সুমন আৰু অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যইও আলোচনাত অংশগ্ৰহণ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত পৰীক্ষা পে চৰ্চা কাৰ্যসূচীৰ অষ্টম সংস্কৰণত পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰ মানসিক চাপ আৰু উৎকণ্ঠা দূৰ কৰাৰ উপায় সন্দৰ্ভত পৰামৰ্শ দিয়ে। ছাত্ৰ জীৱনত সুস্বাস্থ্য তথা সুষম আহাৰৰ প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে নিৰোগী মানেই সুস্বাস্থ্য নুবুজায়। তেওঁ লগতে সুস্বাস্থ্যৰ বাবে আহাৰত প্ৰচুৰ শাক-পাচলি আৰু মিলেটৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। শ্ৰীমোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক পুৱাৰ ভাগত অধিক সময় অধ্যয়নত মনোনিবেশ কৰিবলৈ আহ্বান জনায়।

কাৰ্যসূচীত প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমৰো বহুকেইখন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰি এই কথা প্ৰকাশ কৰে। সকলো ধৰণৰ মানসিক চাপৰ পৰা মুক্ত হৈ পৰীক্ষা তথা সকলো ধৰণৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'বৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক তেওঁ পৰামৰ্শ দিয়ে।

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচী আকাশবাণী, দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ইউ টিউব চেনেল তথা তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত দেশৰ ৩৬ গৰাকী শিক্ষাৰ্থীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ অংশগ্ৰহণ কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত ইউনানি দিৱস উপলক্ষে দুদিনীয়া আন্তৰ্ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব। অনুষ্ঠানত বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙ উপস্থিত থাকিব। প্ৰতিবছৰে ১১

ফেব্ৰুৱাৰীত প্ৰখ্যাত ইউনানি চিকিৎসক শিক্ষাবিদ আৰু মুক্তিযুজাৰু হাকিম আজমল খানৰ জয়ন্তী উপলক্ষে ইউনানি দিৱস পালন কৰা হয়। আয়ুষ মন্ত্ৰালয়ৰ অধীনৰ ইউনানি ঔষধৰ কেন্দ্ৰীয় গৱেষণা পৰিষদে দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে।

০০০০

দেশত জানুৱাৰীৰ মাহলৈকে প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ অধীনত ৫৪ কোটিৰো অধিক বেংক একাউণ্ট খোলা হৈছে। লোকসভাত এটা লিখিত উত্তৰত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয়, যে এই একাউণ্টৰ ভিতৰত ৩০ কোটিৰো অধিক মহিলা অৰ্থাৎ ৫৫ শতাংশ মহিলাই অধিকাৰ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে বেংক একাউণ্ট থকা দেশৰ প্ৰাপ্তবয়স্ক প্ৰতিগৰাকী লোকক ইয়াৰ অধীনত সামৰি লোৱাৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে দেশত ২২ কোটিৰো অধিক লোক প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা আৰু ৪৯ কোটি লোকে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত অন্তৰ্ভুক্ত হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কৌশলগত, অৰ্থনৈতিক আৰু প্ৰযুক্তিগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ উদ্দেশ্যে ফ্ৰান্স আৰু আমেৰিকালৈ ৰাওনা হ'ব। চাৰিদিনীয়া ভ্ৰমণ সূচীৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে ফ্ৰান্সৰ পেৰিছত কাইলৈ হ'বলগীয়া ২০২৫ বৰ্ষৰ কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত সহ অধ্যক্ষতা কৰিব। তেওঁ লগতে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰোৰ সৈতে বিভিন্ন দ্বিপাক্ষিক বিষয় সন্দৰ্ভত আন এখন গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক সন্মিলনত অংশগ্ৰহণ কৰিব। তদুপৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে মাৰ্চেইলত ভাৰতৰ নতুন বাণিজ্যিক দূতাবাস মুকলি কৰিব। শ্ৰীমোদীৰ ফ্ৰান্স ভ্ৰমণে দুয়োখন দেশৰ মাজত বহুকেইটা গুৰুত্বপূৰ্ণ খণ্ডত থকা সম্পৰ্ক সুদৃঢ় কৰি তুলিব বুলি আশা কৰা হৈছে।

আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত ফ্ৰান্সত থকা ভাৰতৰ ৰাষ্ট্ৰদূত সঞ্জীৱ কুমাৰ ছিংলাই কয়, যে সমগ্ৰ বিশ্বতে কৃত্ৰিম বুদ্ধিমত্তাক যাতে কেইগৰাকীমান ব্যক্তি অথবা কেইটামান প্ৰতিষ্ঠানে একচেতিয়া সম্পত্তি হিচাপে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰখাই হৈছে ভাৰতৰ মূল উদ্দেশ্য। উন্নত আৰু উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মাজত যাতে অত্যাধুনিক তথ্যপ্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰত ভিন্নতা নাহে তাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা সুৰক্ষিত আৰু বিশ্বাসযোগ্য হৈ থাকিব লাগিব বুলিও শ্ৰীছিংলাই উল্লেখ কৰে। ইয়াৰ জৰিয়তে ভাৰত, মধ্যপ্ৰাচ্য আৰু ইউৰোপৰ মাজৰ অৰ্থনৈতিক সহযোগিতা অধিক শক্তিশালী হ'ব বুলি আশা কৰা হৈছে। অহা ১২ ফেব্ৰুৱাৰীত তিনিদিনীয়া ফ্ৰান্স ভ্ৰমণ সামৰি শ্ৰীমোদী আমেৰিকালৈ ৰাওনা হ'ব। দুদিনীয়া এই ভ্ৰমণসূচীত তেওঁ বাণিজ্য, প্ৰতিৰক্ষা আৰু শক্তিখণ্ডত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত কৌশলগত সহযোগিতা তথা প্ৰযুক্তি অংশীদাৰিত্ব আদি বিষয় সন্দৰ্ভত আলোচনা কৰিব।

০০০০

জম্মু আৰু কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুলাই আজি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। বৈঠকত দুয়োগৰাকী নেতাই জম্মু আৰু কাশ্মীৰৰ ৰাজ্যৰ মৰ্যাদা প্ৰদান, সুৰক্ষা পৰিস্থিতি, বাজেট আৰু প্ৰশাসন সম্পৰ্কে আলোচনা কৰে। উল্লেখযোগ্য যে জম্মু আৰু কাশ্মীৰৰ মুখ্যমন্ত্ৰীৰূপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পছত এয়া আছিল শ্ৰীআব্দুলাৰ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সৈতে তৃতীয়টো সাক্ষাৎ।

০০০০

থাইলেণ্ডৰ বেংককত চলি থকা পেৰা আৰ্চ্চাৰী এছিয়া কাপ প্ৰতিযোগিতাৰ মহিলাৰ কম্পাউণ্ড অপেন শিতানত ভাৰতৰ চৰিতাই সোণৰ পদক অৰ্জন কৰিছে। আজি বিয়লি অনুষ্ঠিত খেলখনত চৰিতাই ছিংগাপুৰৰ নুৰ ছ্যাহিদা আলিমক এখন তুমুল প্ৰতিদ্বন্দিতামূলক খেলত ১৪৩-১৪২ ৰ ফলাফলত পৰাস্ত কৰে। ইপিনে, ভাৰতৰ আদিল মহম্মদ নাজিৰ আনচাৰীয়ে পুৰুষৰ ডব্লিঅ' ৱান শিতানত হংকঙৰ মান টাই য়ুঙক ১২০-১১৬ ৰ ফলাফলত পৰাজিত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০

উত্তৰ ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া হিমাংশু শেখৰে কৈছে যে, প্ৰয়াগৰাজৰ মহাকুম্ভৰ তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ বাবে আজি ২০ খন ৰেল চলাচল কৰাইছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত শ্ৰীশেখৰে কয়, যে প্ৰয়াগৰাজৰ ৮ টা ষ্টেছনৰ পৰা কালি যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৩০০ ৰো অধিক ৰেল চলাচল কৰোৱা হয়।

০০০০

সমাপ্ত